**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি নতুন দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন কৰা হ'ব।

২। ড০ সিঙৰ বিয়োগত নেতাসকলৰ লগতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে গভীৰ শোক প্ৰকাশ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

৪। ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টৰ তৃতীয় দিনা মধ্যাহ্ন ভোজন বিৰতিলৈ ভাৰতে নিজৰ প্ৰথম ইনিংছত ৭ উইকেটত ২৪৪ ৰাণ সংগ্ৰহ কৰিছে। **আৰু**

৫। ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেনে চীনৰ চেনজেনত চলি থকা কিংছ কাপ আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন অপেন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

বৃহস্পতিবাৰৰ নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ অন্ত্যেষ্টিক্ৰিয়া সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি নতুন দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন কৰা হ'ব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে সম্পূৰ্ণ সামৰিক সন্মানেৰে ড০ সিঙৰ ৰাষ্ট্ৰীয় মৰ্যাদাৰ অন্ত্যেষ্টিক্ৰিয়াৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰালয়ক অনুৰোধ জনাইছে। ইফালে কংগ্ৰেছ সাধাৰণ সম্পাদক কে চি বেণুগোপালে কয়, যে নতুন দিল্লীস্থিত কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ৰ পৰা আজি পুৱা চাৰে ৯ বজাত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ অন্তিম যাত্ৰা আৰম্ভ হ'ব। কংগ্ৰেছ কাৰ্যালয়ত জনসাধাৰণ তথা দলীয় কৰ্মীসকলে নেতাগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰিব বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে আকাশবাণী দিল্লীয়ে আজি পুৱা ১১ বজাৰ পৰা এফ এম ৰেইনবো, ইন্দ্ৰপ্ৰস্থ, আকাশবাণী লাইভ নিউজ টুৱেণ্টি ফৰ ইণ্টু ছেভেন আদি চেনেলৰ জৰিয়তে শেষকৃত্যৰ ধাৰাবিৱৰণী প্ৰচাৰ কৰিব। আকাশবাণীৰ সকলো প্ৰাথমিক চেনেল আৰু সকলো স্থানীয় চেনেলে এই ধাৰাবিৱৰণী ৰিলে কৰিব।

০০০০০

বৃহস্পতিবাৰৰ নিশা দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ নশ্বৰদেহ বৰ্তমান নতুন দিল্লীৰ মতিলাল নেহৰু মাৰ্গত থকা তেওঁৰ বাসগৃহত ৰখা হৈছে আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে নেতাগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহত পুষ্পাৰ্ঘ্য নিবেদন কৰি তেওঁৰ প্ৰতি সন্মান জনায়।

এটা ভিডিঅ' বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ মৃত্যুত সমগ্ৰ দেশবাসীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ কয়, যে সংগ্ৰামৰ মাজেৰে উচ্চতম শিখৰত আৰোহন কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জীৱন আৰু কৰ্ম ভৱিষ্যত প্ৰজন্মৰ বাবে এক আৰ্হি হিচাপে পৰিগণিত হ'ব। প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক এগৰাকী সৎ, মহান অৰ্থনীতিবিদ আৰু সংস্কাৰৰ বাবে নিজকে উৎসৰ্গিত কৰা এগৰাকী মহান নেতা বুলিও শ্ৰীমোদীয়ে অভিহিত কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, জ্যোতিৰাদিত্য সিন্ধিয়া, প্ৰাক্তন কংগ্ৰেছ সভানেত্ৰী ছোনীয়া গান্ধী, লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, আম আদমী পাৰ্টীৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাল, দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু, তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনকে ধৰি ভালেসংখ্যক নেতাইও কালি প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ বাসগৃহলৈ গৈ নেতাগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, প্ৰাক্তন উপৰাষ্ট্ৰপতি হামিদ আনচাৰী, সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱ আৰু জম্মু কাশ্মীৰৰ মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেন্সৰ সভাপতি ফাৰুক আব্দুলাইও নেতাগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে।

বিশ্বৰ প্ৰসিদ্ধ অৰ্থনীতিবিদসকলৰ অন্যতম ড০ মনমোহন সিঙে ১৯৮২ চনত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৮৫ৰ পৰা ১৯৮৭ চনলৈ পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ হিচাপে দায়িত্ব পালন কৰিছিল। পি ভি নৰসিংহ ৰাও চৰকাৰৰ দিনত বিত্তমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা ড০ সিঙে ১৯৯১ চনৰ অৰ্থনৈতিক উদাৰীকৰণৰ ৰূপকাৰ হিচাপে ভাৰতীয় অৰ্থনীতিত সৰ্বকালৰ সৰ্ববৃহৎ সংস্কাৰ সাধন কৰে। ২০০৪ৰ পৰা ২০১৪ চনলৈ কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰৰ সময়ত দুটা কাৰ্যকালৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ড০ মনমোহন সিং ১৯৯১ চনত প্ৰথমবাৰৰ বাবে অসমৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল আৰু ধাৰাবাহিকভাৱে ২৮ বছৰ ধৰি অসমক প্ৰতিনিধিত্ব কৰিছিল।

প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ সিঙৰ বিয়োগত সাতদিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে।

০০০০০

চৰকাৰে সদ্য প্ৰয়াত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ স্মাৰকৰ বাবে ভূমি আৱণ্টন দিব। গৃহ মন্ত্ৰালয়ে এই কথা প্ৰকাশ কৰিছে। কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই এই বিষয়ে কৰা অনুৰোধ চৰকাৰে লাভ কৰা বুলি মন্ত্ৰালয়ে এটা বিবৃতিযোগে জানিবলৈ দিছে। মন্ত্ৰালয়ে কয়, যে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ সামৰণিৰ পাছতে গৃহমন্ত্ৰী অমিত শ্বাহে স্মাৰকৰ বাবে ঠাইৰ ব্যৱস্থা কৰা হ'ব বুলি শ্ৰীখাৰ্গে আৰু প্ৰয়াত প্ৰধানমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ আগত প্ৰকাশ কৰে।

০০০০০

ৰাজস্থানৰ আজমেৰত চুফী সন্ত হজৰত খ'ৱাজা মইনুদ্দিন চিষ্টিৰ ৮১৩ সংখ্যক উৰুছৰ প্ৰস্তুতি আৰম্ভ হৈছে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, আজি আজমেৰৰ দৰগাহত চাদৰ আগবঢ়োৱা পৰম্পৰা সম্পন্ন হ'ব।

০০০০০

পাঞ্জাৱৰ ভাটিণ্ডাত কালি সংঘটিত শোকাৱহ বাছ দুৰ্ঘটনাত নিহত প্ৰতিগৰাকী লোকৰ আত্মীয়জনলৈ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ অধীনত ২ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্ঘটনাটোক লৈ গভীৰ শোক প্ৰকাশ কৰি সামাজিক মাধ্যমযোগে এই বিষয়ে জানিবলৈ

দিছে। দুৰ্ঘটনাত আহত লোকসকলৰ আশু আৰোগ্য কামনা কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ প্ৰতিগৰাকীলৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৭ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

বিশ্ব স্বাস্থ্য সংস্থা WHO ৰ সঞ্চালক প্ৰধান টেড্ৰোছ অধোনম ঘেব্ৰেয়ছছে য়েমেনৰ ৰাজধানী ছনাত হুটি বিদ্ৰোহীয়ে আটক কৰা ৰাষ্ট্ৰসংঘৰ ১৩ গৰাকী কৰ্মচাৰীৰ মুক্তি সন্দৰ্ভত আলোচনা সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে। শ্ৰীঘেব্ৰেয়ছছে সামাজিক মাধ্যমযোগে কয়, যে আটক কৰা লোককেইজনক শীঘ্ৰে মুকলি কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাই আহ্বান জনাইছে। এই বছৰৰ জুন মাহত ইয়াৰ ১৩ জন কৰ্মচাৰীক হুটি বিদ্ৰোহীয়ে আটক কৰাৰ কথা ৰাষ্ট্ৰসংঘই নিশ্চিত কৰিছে।

00000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি আৰু কাইলৈ পুৱতি নিশা আৰু পুৱা অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বিভিন্ন অঞ্চলক ডাঠ কুঁৱলীয়ে আৱৰি ৰাখিব বুলি প্ৰকাশ কৰিছে। বিভাগে পাঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু ঝাৰখণ্ডতো সোমবাৰলৈ একেধৰণৰ পৰিৱেশে বিৰাজ কৰিব বুলি জানিবলৈ দিছে। ইপিনে বিভাগে দিয়া আগজাননী অনুসৰি আজি দিল্লী, দক্ষিণ পূব হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পাঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ ঠাই বিশেষে বৰষুণ হ'ব পাৰে। বিভাগে আজি মধ্যপ্ৰদেশত ধুমুহা-বৰষুণৰ লগতে শিলাবৃষ্টিৰ আগলি বতৰা প্ৰকাশ কৰিছে।

00000

ভাৰতে বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ চতুৰ্থখন টেষ্টৰ তৃতীয় দিনা আজি নিজৰ প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিছে। এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছৰ ৪৭৪ ৰানৰ প্ৰত্যুত্তৰত ৭ উইকেটৰ বিনিময়ত ২৪৪ ৰান সংগ্ৰহ কৰিছে।

কালি দ্বিতীয় দিনৰ খেলৰ সামৰণিত ভাৰতৰ হৈ ঋষভ পণ্টে ৬ আৰু ৰবীন্দ্ৰ জাদেজাই ৪ ৰান কৰি খেলি আছিল। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি ৪৭৪ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৪টা আৰু ৰবীন্দ্ৰ জাদেজাই ৩টা উইকেট দখল কৰে।

৫ খন খেলৰ শৃংখলাটোত এইপৰ্যন্ত দুয়োটা দলে এখনকৈ খেলত বিজয় অৰ্জন কৰিছে।

00000

ভাৰতৰ তাৰকা খেলুৱৈ লক্ষ্য সেনে চীনৰ চেনজেনত চলি থকা কিংছ কাপ আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন অপেন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ৰেংকিঙত দ্বাদশ স্থানপ্ৰাপ্ত খেলুৱৈগৰাকীয়ে কালি কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বী এংগছ এন জি কা লঙক ১০-২১, ২১-১৩, ২১-১৩ গেমত পৰাস্ত কৰে।

এয়া হ'ল লণ্ডৰ বিৰুদ্ধে চাৰিখন খেলত ভাৰতীয় খেলুৱৈগৰাকীৰ প্ৰথম বিজয়। ছেমিফাইনেলত ভাৰতীয় খেলুৱৈগৰাকীয়ে আজি চীনৰ হু ঝে আনৰ মুখামুখি হ'ব।

ooooo

আই এছ্ এল ফুটবল প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ কিশোৰ ভাৰতী ষ্টেডিয়ামত মহম্মেদান স্পৰ্টিং ক্লাব আৰু ওড়িশা এফ চিৰ মাজত অনুষ্ঠিত খেলখন গলশূন্যভাবে সমাপ্ত হয়।

প্ৰতিযোগিতাত আজি ইষ্ট বেংগল এফ চি হায়দৰাবাদ এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চেন্নাইৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগীয়া দিনটোৰ দ্বিতীয়খন খেলত চেন্নাই এফ চি বেংগালুৰু এফ চিৰ মুখামুখি হ'ব।

ooooo

ভাৰতৰ মহিলা ক্ৰিকেট দলে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ৩-০ৰ ব্যৱধানত এদিনীয়া শৃংখলা দখল কৰিছে। কালি বডোডৰাত অনুষ্ঠিত শৃংখলাৰ তৃতীয় তথা অন্তিমখন এদিনীয়াত ভাৰত ৫ উইকেটত জয়ী হয়। টছত জিকি প্ৰথমে বেটিং কৰিবলৈ নমা ৱেষ্ট ইণ্ডিজে ৩৮ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬২ ৰাণ কৰে। ভাৰতৰ দিপ্তী শৰ্মাই ৬টা আৰু ৰেণুকা সিঙে আন ৪টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে মাত্ৰ ২৮ অভাৰ আৰু দুটা বলতে ৫টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। ভাৰতৰ দিপ্তী শৰ্মাই এই খেলখনৰ আৰু ৰেণুকা সিঙে শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

ooooo

সমাপ্ত